**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতে ইজৰাইলৰ সৈতে থকা দীৰ্ঘদিনীয়া সম্পৰ্কক বিশেষ গুৰুত্ব দিয়ে বুলি প্ৰকাশ কৰিছে।

২। নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আজিৰে পৰা ৰাজাজী উৎসৱ উদযাপন কৰা হ'ব।

৩। মহাৰাষ্ট্ৰ চৰকাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ বিমান দুৰ্ঘটনাত মৃত্যু হোৱা ঘটনাৰ চিবিআই তদন্তৰ নিৰ্দেশ দিবলৈ অনুৰোধ জনাইছে।

৪। মণিপুৰী হাস্যব্যঙ্গ ছবি **বুঙে** শ্ৰেষ্ঠ শিশু আৰু পৰিয়াল ছবিৰ  শিতানত সন্মানীয় বাফ্টা বঁটা লাভ কৰিছে।     ***আৰু***

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত ছুপাৰ এইটৰ এখন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ হাতত ৭৬ ৰানত পৰাস্ত হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতে ইজৰাইলৰ সৈতে থকা দীৰ্ঘদিনীয়া সম্পৰ্কক বিশেষ গুৰুত্ব দিয়ে বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে ইজৰাইলৰ সৈতে ভাৰতৰ সম্পৰ্ক বিশ্বাস, উদ্ভাৱন আৰু শান্তি তথা প্ৰগতিৰ ক্ষেত্ৰত উমৈহতীয়া প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰত আধাৰিত। সামাজিক মাধ্যমত ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ এটা প'ষ্টৰ প্ৰতি সঁহাৰি জনাই শ্ৰীমোদীয়ে কয়, যে ভাৰত আৰু ইজৰাইলৰ মাজৰ শক্তিশালী সম্পৰ্ক তথা দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিবিধতাৰ বিষয়ত নেতান্যাহুৰ সৈতে তেওঁ সন্মতি প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে কয়, যে তেওঁৰ সমাগত ইজৰাইলৰ ভ্ৰমণৰ সময়ত এনে বিষয়সমূহত আলোচনা কৰা হ'ব। উল্লেখযোগ্য যে ইজৰাইলৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভাৰত আৰু ইজৰাইলৰ মাজৰ সম্পৰ্ক দুজন বিশ্বনেতাৰ মাজৰ শক্তিশালী মিত্ৰতা বুলি উল্লেখ কৰিছিল। তেওঁ লগতে কয়, যে দুয়োখন দেশ হৈছে উদ্ভাৱন, নিৰাপত্তা আৰু উমৈহতীয়া কৌশলগত দৰ্শনৰ অংশীদাৰ। দুয়োখন দেশে একেলগে স্থিৰতা আৰু প্ৰগতিৰ দিশত নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতীয়মান কৰিছে। তদুপৰি কৃত্ৰিম বুদ্ধিমত্তাৰ পৰা আৰম্ভ কৰি আঞ্চলিক সহযোগিতা পৰ্যন্ত দেশ দুখনৰ মাজৰ সহযোগিতাই নতুন উচ্চতালৈ উন্নীত হৈছে বুলি ইজৰাইলৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আজিৰে পৰা ৰাজাজী উৎসৱ উদযাপন কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানত কালি এই বিষয়ে প্ৰকাশ কৰি কয়, যে ৰাষ্ট্ৰপতি ভৱনৰ মুখ্য প্ৰাংগণত ব্ৰিটিছ স্থপতিবিদ এডউইন লুটিয়েনছৰ প্ৰতিমূৰ্তিৰ ঠাইত স্বাধীন ভাৰতৰ প্ৰথমগৰাকী ভাৰতীয় গবৰ্নৰ জেনেৰেল চি ৰাজা গোপালচাৰীৰ প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে চি ৰাজাগোপালচাৰীৰ প্ৰশংসা কৰি কয়, যে তেওঁ এনে এগৰাকী নেতা আছিল যিয়ে ক্ষমতাক পদবী বুলি নহয়

বৰঞ্চ সেৱা হিচাপেহে গ্ৰহণ কৰিছিল। স্বাধীনতাৰ ইমান বছৰৰ পাছতো ৰাষ্ট্ৰপতি ভৱনত ব্ৰিটিছ্ প্ৰশাসক এগৰাকীৰ প্ৰতিমূৰ্তি থকাটো অতি দুৰ্ভাগ্যজনক বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাজাজী উৎসৱৰ সৈতে সংগতি ৰাখি কাইলৈৰ পৰা ১ মাৰ্চলৈ চি ৰাজাগোপালচাৰীৰ বিষয়ক এখন প্ৰদৰ্শনীও আয়োজন কৰা হ'ব।

০০০০০

মহাৰাষ্ট্ৰ চৰকাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ যোৱা মাহত বিমান দুৰ্ঘটনাত মৃত্যু হোৱা ঘটনাৰ চিবিআই তদন্তৰ নিৰ্দেশ দিবলৈ অনুৰোধ জনাইছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাবিছে কালি মুম্বাইত এখন সংবাদমেলত এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে মহাজোঁটি চৰকাৰে এই বিমান দুৰ্ঘটনাৰ সৈতে থকা সকলো শংকা দূৰ কৰাৰ প্ৰয়াস কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে তেওঁ বিজেপিৰ মিত্ৰজোঁট এন চি পিৰ পৰা এই বিমান দুৰ্ঘটনাৰ চিবিআই তদন্ত বিচাৰি প্ৰেৰণ কৰা এখন পত্ৰ লাভ কৰিছে। অসামৰিক বিমান পৰিবহণ সঞ্চালকালয় আৰু ৰাজ্যিক চিআইডিৰ উপৰি চিবিআইয়েও এতিয়া এই ঘটনাৰ তদন্ত কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে যোৱা ২৮ জানুৱাৰীত অজিত পাৱাৰ আৰু আন চাৰিজন লোকৰ পুনেৰ বাৰামতীৰ সমীপত এটা বিমান দুৰ্ঘটনাত মৃত্যু হয়। শ্ৰীফাড়নাবিছে কয়, যে অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে ভিএছ্আৰ কোম্পানীসমূহৰ বিত্তীয় নথিপত্ৰৰ পৰীক্ষা কৰি আছে।

০০০০০

ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলনৰ জৰিয়তে বিশ্বৰ নেতাসকলে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনত ভাৰতৰ সামৰ্থ্যৰ বিষয়ে উমান পোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰি শ্ৰীমোদীয়ে এই শীৰ্ষ সন্মিলনখনক কৃত্ৰিম বুদ্ধিমত্তা বিষয়ৰ সৰ্ববৃহৎ সন্মিলন বুলি অভিহিত কৰি ইয়াৰ সফলতাৰ বাবে তেওঁ দেশৰ প্ৰতিগৰাকী নাগৰিকক অভিনন্দন জনায়। এই সময়খিনিতেই ভাৰতে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে প্ৰস্তুত কৰা তিনিটা মেড ইন ইণ্ডিয়া প্ৰকল্পৰ আৰ্হিও মুকলি কৰে। ভৱিষ্যতৰ পৃথিৱীত কৃত্ৰিম বুদ্ধিমত্তাৰ শক্তি কিদৰে প্ৰয়োগ কৰা হ'ব সেই বিষয়ত নীতি নিৰ্দ্ধাৰণৰ দিশত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন অতিশয় গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে মত প্ৰকাশ কৰি বিষয়টোক লৈ গৌৰৱ ব্যক্ত কৰে।

একেদৰে ভাৰতৰবৰ্ষৰ সংস্কৃতিয়ে সমগ্ৰ বিশ্বৰ নেতৃস্থানীয় লোকসকলৰ দৃষ্টি আকৰ্ষণ কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায় লৈ ভাৰতত প্ৰাচীন পুথি-পাঁজি, জ্ঞান আৰু হস্তলিপিসমূহ সংৰক্ষণ কৰাৰ প্ৰক্ৰিয়াই সমাদৰ লাভ কৰিছে। এই বিষয়টোৰ উদাহৰণ হিচাপে সুশ্ৰুত সংহিতাৰ আৰ্হি প্ৰদৰ্শন কৰা হৈছিল বুলিও তেওঁ জানিবলৈ দিয়ে।

একোটা মহৎ কাৰ্যই অগণন লোকৰ জীৱন সলনি কৰিব পাৰে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে এনে কামৰ সৈতে জড়িত লোকসকলক ভূয়সী প্ৰশংসা কৰে। ৰাষ্ট্ৰপতি ভৱনত উদযাপন কৰিবলগীয়া ৰাজাজী উৎসৱত স্বাধীন ভাৰতৰ প্ৰথমগৰাকী গভৰ্ণৰ জেনেৰেল চি ৰাজাগোপালাচাৰীৰ এটা প্ৰতিমূৰ্তি মুকলি কৰা হ'ব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ৰাজাগোপালাচাৰীক ক্ষমতাৰ বাবে নহয়, সেৱাৰ মনোভাৱেৰে কাম কৰা ব্যক্তি বুলি প্ৰশংসা কৰে।

ডিজিটেল এৰেষ্ট সন্দৰ্ভত পূৰ্বে মন কী বাতত উল্লেখ কৰাৰ পিছৰ পৰা এই সন্দৰ্ভত সমাজত ভালেখিনি সজাগতা বৃদ্ধি পোৱা বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে ভুৱা ফোনকল, এছ্ এম এছ্

আৰু লিংকৰ বিষয়ে সজাগ হৈ থাকিবলৈ সকলোকে আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক কে ৱাই চি, ৰি কে ৱাই চি কেৱল বেংকৰ শাখা, অফিচিয়েল এপ' আৰু দায়িত্ববাহীসকলকহে প্ৰদান কৰিবলৈ কয়। তেওঁ অ টি পি, আধাৰ নম্বৰ বা বেংকৰ সৱিশেষ যিকোনো লোককে প্ৰদান নকৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰীয়ে লগতে দেশৰ কৃষকসকলক প্ৰশংসা কৰি কয়, যে কৃষকসকলে এতিয়া কেৱল উৎপাদনতে মনোনিৱেশ কৰা নাই লগতে উৎপাদিত সামগ্ৰীৰ মান, মূল্যাংকন আৰু নতুন বজাৰতো গুৰুত্ব আৰোপ কৰিছে।

প্ৰধানমন্ত্ৰ শ্ৰীমোদীয়ে পৱিত্ৰ ৰমজান মাহ আৰু হোলী উপলক্ষে সকলোকে শুভকামনা জনোৱাৰ লগতে জনসাধাৰণে পৰিয়ালৰ লোকৰ সৈতে আনন্দৰে এই উৎসৱ পালন কৰিব বুলিও আশা প্ৰকাশ কৰে।

ooooo

লণ্ডনত অনুষ্ঠিত ৭৯ সংখ্যক ব্ৰিটিছ একাডেমী চলচ্চিত্ৰ বঁটা চমুকৈ বাফ্টাত এক্সন থ্ৰিলাৰ **ৱান বেটল আফ্টাৰ এনাডাৰে** শ্ৰেষ্ঠ ছবিকে ধৰি ছটা বঁটা লাভ কৰিছে। পল থমাছ এণ্ডাৰছনে এই ছবিখনৰ বাবে শ্ৰেষ্ঠ নিৰ্দেশকৰ বঁটা লাভ কৰে। তেওঁ লগতে শ্ৰেষ্ঠ এডপেটড স্ক্ৰীনপ্লে আৰু শ্ৰেষ্ঠ চিন'মেটগ্ৰাফীৰ বঁটাও লাভ কৰে। ভেম্পায়াৰৰ ওপৰত নিৰ্মিত ছবি **চিনাৰ্ছ** আৰু গথিক হ'ৰৰ **ফ্ৰেঙ্কেষ্টাইনে** তিনিটাকৈ বঁটা লাভ কৰে। ফাৰহান আখটাৰৰ এক্সেল এণ্টাৰটেইনমেণ্টৰ পৰিচালনাৰ মণিপুৰী হাস্যব্যঙ্গ ছবি **বুঙে** শ্ৰেষ্ঠ শিশু আৰু পৰিয়াল ছবিৰ শিতানত সন্মানীয় বাফ্টা বঁটা লাভ কৰিছে। **বুং** হৈছে লক্ষ্মীপ্ৰিয়া দেৱীৰ নিৰ্দেশনাৰ প্ৰথমখন ছবি। শিশু অভিনেতা গুগুন কিপজেন আৰু বালা হিজামে অভিনয় কৰা এই মণিপুৰী ছবিখনে কেইবাখনো আন্তঃৰাষ্ট্ৰীয় ছবিক পাছ পেলাই এই বঁটা লাভ কৰে।

ooooo

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ এখন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ হাতত ৭৬ ৰানত পৰাস্ত হয়। দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৮৭ ৰান সংগ্ৰহ কৰে। ডেভিদ মিলাৰে ৬৩ আৰু ট্ৰিষ্টান ষ্টাবছে ৪৪ ৰান কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৮ অভাৰ ৫টা বলতে আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ শিৱম ডুবেই সৰ্বাধিক ৪২ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ মাৰ্ক' জেনচনে ৪টা উইকেট দখল কৰাৰ লগতে কেশৱ মহাৰাজে দুটা উইকেট লাভ কৰে। ডেভিদ মিলাৰক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ আন এখন খেলত ইংলেণ্ডে শ্ৰীলংকাক ৫১ ৰানত পৰাস্ত কৰে। ইংলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৪৬ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৬ অভাৰ এটা বলতে আটাইকেইটা উইকেট হেৰুৱাই কেৱল ৯৫ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত জিম্বাব'ৱে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত